**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-NOV-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। দিল্লীৰ বিস্ফোৰণৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূৰ্বাঞ্চলত নিৰাপত্তা বৃদ্ধিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ তৎপৰতা বৃদ্ধি। ধুবুৰীৰ বামুণীত লাচিত বৰফুকনৰ নামেৰে নতুন সামৰিক ঘাটি স্থাপনৰ সিদ্ধান্ত।

২। দিল্লীৰ কূটাঘাতৰ পাছত সামাজিক মাধ্যমত উচতনিমূলক বাৰ্তা বিয়পোৱা ৰাজ্যৰ ৩৪ জন লোকক চিনাক্ত আৰু এতিয়ালৈকে ৫ জনক গ্ৰেপ্তাৰ।

৩। আজি ৰাজ্যৰ শিক্ষা বিভাগত ৮ হাজাৰৰো অধিক প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠান।

৪। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত ঐক্যবদ্ধ হৈ প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে ৰাজ্যৰ ৫টা বিৰোধী দলৰ সহমত প্ৰকাশ। **আৰু**

৫। গুৱাহাটীত চলি থকা আই টি এফ মাষ্টাৰ্ছ T-200 আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাৰ আজি চূড়ান্ত খেল।

oooooo

দিল্লীৰ বিস্ফোৰণৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ নিৰাপত্তা বৃদ্ধিৰ বাবে কেন্দ্ৰীয় চৰকাৰ তৎপৰ হৈ উঠিছে। এই অনুসৰি কেন্দ্ৰীয় চৰকাৰে ধুবুৰী জিলাৰ বামুণীত এটা নতুন সামৰিক ঘাটি স্থাপনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। লাচিত বৰফুকনৰ নামেৰে নামকৰণ কৰিবলগীয়া সামৰিক ঘাটিটোৰ পৰা সীমান্তৰ প্ৰতিৰক্ষাৰ প্ৰতিটো দিশ চোৰাচিতা কৰা হ'ব। পাকিস্তানী সন্ত্ৰাসবাদী সংগঠনে বাংলাদেশত খোপনি পুতি অসম তথা উত্তৰ পূৰ্বাঞ্চলত কূটাঘাতমূলক কাৰ্যকলাপ সংঘটিত কৰাৰ আশংকা প্ৰকাশ কৰি সীমান্তৰ নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। ভাৰত-বাংলাদেশ সীমান্তৰে যাতে কোনো সন্ত্ৰাসবাদীয়ে প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে সীমান্ত সুৰক্ষা বাহিনীক সক্ষম কৰি তোলা হৈছে। সেনাৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি বাংলাদেশৰ শেহতীয়া পৰিস্থিতিৰ বাবে কেন্দ্ৰীয় চৰকাৰে এই সামৰিক ঘাটিটো স্থাপন কৰাত বিশেষ গুৰুত্ব দিছে। নতুনকৈ স্থাপন হ'বলগীয়া এই ঘাটিটোত প্ৰায় এহেজাৰ ৫০০ সেনা মজুত থকাৰ লগতে যুদ্ধৰ বাবে প্ৰয়োজনীয় সকলো গোলা-বাৰুদ মজুত ৰখা হ'ব। ৰাজ্য চৰকাৰে ধুবুৰীৰ বামুণীগাঁৱত সামৰিক ঘাটিটো স্থাপনৰ বাবে ভূমি প্ৰদান কৰিছে বুলি সেনাৰ সূত্ৰই প্ৰকাশ কৰিছে।

oooooo

দিল্লীৰ লালকিল্লাৰ সমীপত সংঘটিত বিস্ফোৰণৰ পাছত অসমত কূটাঘাতৰ আশংকা কৰি ৰাজ্য চৰকাৰে শক্তিশালীভাৱে প্ৰতিৰোধ ব্যৱস্থা গঢ়ি তুলিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি সংবাদ মাধ্যমৰ আগত এই বিষয়ে প্ৰকাশ কৰি কয়, যে অসম এনে কূটাঘাতৰ আশংকাৰ পৰা সমূলি মুক্ত নহয় আৰু এনে যিকোনো অপচেষ্টা কঠোৰ হাতেৰে দমন কৰাৰ বাবে চৰকাৰ আৰু প্ৰশাসন সাজু আছে। সন্দেহজনক সকলো ব্যক্তি আৰু কাৰ্য নিৰীক্ষণ কৰি থকা হৈছে বুলি উল্লেখ কৰি সামাজিক মাধ্যমতো চোকা দৃষ্টি ৰখা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ডঃ শৰ্মাই কয়, যে শেহতীয়াকৈ সংঘটিত দিল্লী বিস্ফোৰণৰ পাছতে একাংশ লোকে সামাজিক মাধ্যমত উচতনিমূলক বাৰ্তা বিয়পোৱাৰ লগতে বিভিন্ন ইম'জিৰ মাধ্যমেৰে জনসাধাৰণক বিপথে পৰিচালিত কৰাৰ চেষ্টা চলাইছে। এনে কাৰ্যৰ

সৈতে জড়িত থকাৰ অভিযোগত ১৫ খন জিলাৰ কমেও ৩৪ জন লোকক চিনাক্ত কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। এইসকলৰ গতি-বিধি নিৰীক্ষণৰ বাবে আৰক্ষীক কঠোৰ নিৰ্দেশ দিয়া হৈছে।

**বাইট (চি এম)**

এই ব্যক্তিসকলৰ বহিঃৰাজ্যৰ সন্দেহজনক ব্যক্তি অথবা সংগঠনৰ সৈতে সম্পৰ্ক থকাৰ কথা পোহৰলৈ আহিলে কঠোৰতম ব্যৱস্থা গ্ৰহণৰ বাবেও আৰক্ষীক নিৰ্দেশ দিয়া হৈছে। উল্লেখযোগ্য যে অসম আৰক্ষীয়ে ইতিমধ্যে দৰং, গোৱালপাৰা, চিৰাং, কামৰূপ আৰু বঙাইগাঁও জিলাৰ এজনকৈ লোকক এনেধৰণৰ উচতনিমূলক মন্তব্য নাইবা কাৰ্যকলাপৰ বাবে গ্ৰেপ্তাৰ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে।

০০০০০০

ৰাজ্যত স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি শিক্ষা বিভাগত ৮ হাজাৰৰো অধিক প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আজি বিয়লি এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু উপস্থিত থাকিব। শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা অনুসৰি উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত ২৫২ গৰাকী সহকাৰী অধ্যাপকক নিযুক্তি পত্ৰ বিতৰণৰ উপৰি ৬২ গৰাকী তৃতীয় বৰ্গৰ কৰ্মচাৰীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। একেদৰে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত এহেজাৰ ২৭৫ গৰাকী স্নাতকোত্তৰ শিক্ষক আৰু ৬ হাজাৰ ৫২২ গৰাকী স্নাতক শিক্ষকক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ সঞ্চালকালয়ৰ অধীনত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত ২৮ গৰাকী প্ৰৱক্তা আৰু ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদত ৮ গৰাকী সহকাৰী সঞ্চালকক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব।

০০০০০০

ৰাজ্যৰ পাঁচটা বিৰোধী দলে ঐক্যবদ্ধ হৈ কাম কৰিবলৈ একমত প্ৰকাশ কৰিছে। কালি দিছপুৰৰ অসম বিধানসভাৰ কংগ্ৰেছ বিধায়িনী কক্ষত অনুষ্ঠিত এখন বৈঠকত ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনত শাসনাধিষ্ঠিত বিজেপি দলক প্ৰত্যাহ্বান জনোৱাৰ বাবে ঐক্যবদ্ধ বিৰোধী মঞ্চ গঠনৰ সম্ভাৱনীয়তা সন্দৰ্ভত বিশদভাৱে আলোচনা কৰা হয়। এই সভাত কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা জিতেন্দ্ৰ সিং, প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, বিধানসভাৰ বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া, সাংসদ ৰকিবুল হুছেইন আৰু প্ৰদ্যুৎ বৰদলৈয়ে অংশগ্ৰহণ কৰে। ৰাইজৰ দলৰ হৈ বিধায়ক অখিল গগৈ, চি পি আই এমৰ হৈ বিধায়ক মনোৰঞ্জন তালুকদাৰ, আঞ্চলিক গণ মৰ্চাৰ হৈ সাংসদ অজিত কুমাৰ ভূঞা, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, চি পি আই এম এলৰ নেতা বিবেক দাসকে ধৰি বিৰোধী দলৰ ভালেকেইগৰাকীয়ে নেতাই অংশগ্ৰহণ কৰে। বৈঠকৰ অন্তত কংগ্ৰেছৰ জ্যেষ্ঠ নেতা জিতেন্দ্ৰ সিঙে সাংবাদিকৰ সৈতে কথা বতৰাত এইদৰে কয়।

**বাইট (জিতেন্দ্ৰ সিং)**

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লোকসেৱা ভৱনত কালি ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ বাবে শূন্য ব্যয় বীমা আঁচনি মুকলি কৰে। এই আঁচনিৰ অধীনত চলিত বছৰৰ পহিলা জানুৱাৰী বা তাৰ পাছত মৃত্যু হোৱা কৰ্মচাৰীৰ পৰিয়াললৈ ধনৰাশি প্ৰদান কৰা হ'ব। আঁচনিৰ অধীনত সৰ্বাধিক ১ কোটি টকাৰ ব্যক্তিগত দুৰ্ঘটনাজনিত বীমা আৰু ন্যূনতম ২ কোটি টকাৰ বিমান দুৰ্ঘটনাজনিত বীমা প্ৰদান কৰা হ'ব। একেদৰে, সম্পূৰ্ণৰূপে প্ৰতিবন্ধি হোৱা সকলক সৰ্বাধিক ১ কোটি টকাৰ বীমা আৰু আংশিকভাৱে প্ৰতিবন্ধিলৈ ৮০ লাখ টকাৰ বীমাৰ সুবিধা আগবঢ়োৱা হ'ব। আঁচনিখনৰ অধীনত ন্যূনতম ১০ লাখ টকাৰ ম্যাদী জীৱন বীমাৰ সুবিধা আগবঢ়োৱা হ'ব। ৰাজ্যখনৰ ঠিকাভিত্তিক আৰু ৰাজ্য চৰকাৰৰ ৰাজহুৱা খণ্ডৰ কৰ্মচাৰীসকলকো এই আঁচনিত সামৰি লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

**বাইট (চি এম)**

oooooo

গহপুৰত মীন পালনেৰে সফলতা লাভ কৰা অনুপ কুমাৰ শৰ্মাক মীন মন্ত্ৰালয়ৰ পৰিচালনা সমিতিৰ অন্যতম সদস্য হিচাপে নিযুক্তি দিয়া হৈছে। দেশৰ ১৪ গৰাকী অগ্ৰণী মীন উদ্যমীৰ ভিতৰত অসমৰ পৰা প্ৰথমবাৰৰ বাবে শৰ্মাৰ নাম তালিকাত অন্তৰ্ভুক্ত হৈছে। পৰিচালনা সমিতিখনৰ কাৰ্যকালৰ তিনি বছৰৰ ভিতৰত অসম তথা উত্তৰ-পূবৰ মীন পালনৰ সমস্যা সমাধানৰ বাবে সহায় কৰিব বুলি শ্ৰী শৰ্মাই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰৰ গৱেষণা প্ৰতিষ্ঠানৰ গুৰুত্বপূৰ্ণ পদৰ চাকৰি ত্যাগ কৰি জাপান, ছিংগাপুৰ আৰু থাইলেণ্ডত মৎস্য উৎপাদনৰ প্ৰশিক্ষণ লোৱা অনুপ কুমাৰ শৰ্মাই বছৰি প্ৰায় ১৩ কোটি টকাৰ মৎস্য উৎপাদন কৰে। ইয়াৰ জৰিয়তে তেওঁ চৰকাৰক কেইবালাখ টকাৰ আয়কৰ দি আহিছে। ২০১৬ চনত প্ৰথমে ৩০ বিঘা ভূমিত মৎস্য উৎপাদনৰ ব্যৱসায় আৰম্ভ কৰা শৰ্মাই একেটা অঞ্চলৰ ২১০ বিঘা পতিত ভূমিত মৎস্য উৎপাদন কৰি সফলতা লাভ কৰিছে।

oooooo

মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তি অৰ্জনৰ গোচৰত গ্ৰেপ্তাৰ হোৱা নিলম্বিত চক্ৰ বিষয়া নুপুৰ বৰাৰ বিৰুদ্ধে কালি বিশেষ ন্যায়াধীশৰ আদালতত অভিযোগনামা দাখিল কৰে। গ্ৰেপ্তাৰৰ ৫৮ দিনৰ পাছত তদাৰকী কোষে নিলম্বিত বিষয়াগৰাকীৰ বিৰুদ্ধে এহেজাৰ ২৫৪ পৃষ্ঠাৰ অভিযোগনামা দাখিল কৰিছে। অভিযোগনামা তদাৰকী কোষে সন্নিবিষ্ট কৰা তথ্য অনুসৰি নিজৰ বৈধ আয়ৰ উৎসৰ তুলনাত অভিযুক্ত বৰাই ৪৫৮ দশমিক ৬ - ৪ শতাংশ অধিক সম্পত্তি অৰ্জন কৰিছিল। উল্লেখযোগ্য যে কালি বিশেষ ন্যায়াধীশৰ আদালতে অভিযুক্ত বিষয়াগৰাকীৰ জামিন মঞ্জুৰ কৰিছিল।

oooooo

অসম টেনিছ সন্থাৰ উদ্যোগত গুৱাহাটীৰ চচলৰ টেনিছ প্ৰকল্পত চলি থকা আই টি এফ মাষ্টাৰ্ছ T-200 আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাখনৰ পুৰুষ আৰু মহিলাৰ সকলো শাখাৰে চূড়ান্ত খেলসমূহ আজি অনুষ্ঠিত হ'ব। পুৰুষৰ ৪৫ বছৰ উৰ্ধৰ একক শাখাত শ্লোকাভিয়াৰ পিটাৰ জাংকুস্কাৰ বিপৰীতে জাৰ্মান খেলুৱৈ ডেনিয়েল জন ফাইনেলত অৱতীৰ্ণ হ'ব।

oooooo

দিল্লীত শেহতীয়াকৈ সংঘটিত সন্ত্ৰাসবাদীৰ কূটাঘাতক লৈ অব্যাহত থকা তদন্ত প্ৰক্ৰিয়া, একেটা প্ৰসংগক লৈ সামাজিক মাধ্যমত উচতনিমূলক মন্তব্য কৰাৰ অভিযোগত অসমতো কেইবাজনৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ, ২০২৬-ৰ বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যৰ পাঁচটা বিৰোধী দল ঐক্যবদ্ধ হোৱা, জনজাতিকৰণক লৈ ৰাজ্যজুৰি বিভিন্ন দল-সংগঠনৰ প্ৰতিবাদী কাৰ্যসূচীকে ধৰি কেইবাটাও বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

**অসমীয়া প্ৰতিদিন** কাকতে 'চোৰাংচোৰাৰ দাবী-অপাৰেচন সিন্দূৰৰ পোতক তুলিবলৈকে জঈশৰ অভিযান, তুৰস্কৰ পৰা নিয়ন্ত্ৰিত হৈছিল দিল্লীৰ বিস্ফোৰণ' শিৰোনামেৰে বাতৰি এটা প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দিল্লীৰ কূটাঘাত তথা তদন্ত প্ৰক্ৰিয়া সম্পৰ্কীয় এটা বাতৰি **আমাৰ অসম** কাকতে 'ফৰিদাবাদ, শ্ৰীনগৰৰ মেডিকেলত দীৰ্ঘদিন চলিছিল কূটাঘাতৰ পৰিকল্পনা, লালকিল্লা কাণ্ডত ব্যৱহাৰ মিলিটেৰী গ্ৰেড বিস্ফোৰক' শিৰোনাম দিছে। বাতৰিটো **দৈনিক অসম** কাকতে 'টাৰ্গেট আছিল ৰে'ল ষ্টেচন, শ্বপিং মল, ধৰ্মীয় স্থল, সাম্প্ৰদায়িক উত্তেজনা – দেশজুৰি ২০০ বিস্ফোৰণৰ পৰিকল্পনা' শিৰোনামেৰে বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

ইপিনে, দিল্লী বিস্ফোৰণৰ ঘটনাক লৈ সামাজিক মাধ্যমত উচতনিমূলক তথা সমৰ্থনসূচক মনোভাৱ প্ৰকাশ কৰা ৰাজ্যৰ ৩৯ জনক  চিনাক্ত আৰু ছজনক গ্ৰেপ্তাৰ কৰা বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰাৰ বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটো **দা ছেণ্টিনেল** কাকতে 'SUPPORT FOR DELHI BLAST - 5 ARRESTED, 34 IDENTITIFIED' শিৰোনাম দিছে। পাকিস্তানৰ ভাৰত

বিৰোধী কাৰ্যকলাপ তথা জেহাদীৰ আক্ৰমণ ৰোধিবলৈ গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে কেন্দ্ৰীয় চৰকাৰে ধুবুৰীত লাচিত বৰফুকন মিলিটেৰী ষ্টেচন মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণৰ বাতৰিটো **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

২০২৬-ৰ বিধানসভা নিৰ্বাচনত ঐক্যবদ্ধভাৱে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ কংগ্ৰেছ, এ জে পি, চি পি আই এমকে ধৰি ৰাজ্যৰ কেইবাটাও বিৰোধী দল কালি সহমতত উপনীত হোৱাৰ এটা বাতৰি **দি আছাম ট্ৰিবিউন**কে ধৰি কেইবাখনো বাতৰি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ছটা জনগোষ্ঠীৰ জনজাতিকৰণ দাবীত ৰাজ্যৰ বিভিন্ন স্থানত অব্যাহত থকা দল-সংগঠনৰ প্ৰতিবাদৰ বাতৰিটো আজি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। জনজাতিকৰণ সন্দৰ্ভত ২৫ নৱেম্বৰত বিধানসভাত প্ৰতিবেদন দাখিল কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰাৰ প্ৰসংগকো বাতৰিটোত উল্লেখ কৰা হৈছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে পৰৱৰ্তী সময়ত বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ আৰু অসমৰ ঠাই বিশেষে দুই এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ইপিনে মেঘালয়, নাগালেণ্ড, ত্ৰিপুৰা, মণিপুৰ আৰু মিজোৰামৰ বতৰ ফৰকাল হৈ থাকিব বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত